# GENERAL STUDIES—III

## ( Paper—4 )

*Full Marks* : 250

*Time* : 3 hours

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **TWENTY** questions printed in **ENGLISH** and **ASSAMESE**.

**All** questions are compulsory.

The number of marks carried by a question/part is indicated against it.

Answers to Question Nos. **1** to **10** should be in *150* words each, whereas answers to Question Nos. **11** to **20** should be in *250* words each.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

1. Define inclusive growth. Discuss the major challenges and government initiatives aimed at achieving inclusive growth in India. (Answer in *150* words) 2+8=10

অন্তর্ভুক্ত বিকাশৰ সংজ্ঞা দিয়ক। অন্তৰ্ভুক্ত বিকাশৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই সন্মুখীন হোৱা প্ৰধান প্ৰত্যাহ্বানবোৰ আৰু চৰকাৰে লোৱা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

2. Briefly discuss the objectives and components of Pradhan Mantri Krishi Sinchayee Yojana (PMKSY). Examine the concept of 'Per Drop More Crop' as a means of effective utilization of water resources at the farm level. (Answer in *150* words) 8+2=10

প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন আঁচনি (PMKSY)-ৰ উদ্দেশ্য আৰু উপাদানসমূহ চমুকৈ আলোচনা কৰক। ভাৰতবৰ্ষত 'প্ৰতি টোপাল অধিক শস্য'-ৰ ধাৰণাটো জলসম্পদৰ উচিত ব্যৱহাৰৰ এটি উপায় হিচাপে মূল্যাংকন কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

3. Why did Myanmar become a sanctuary for insurgent groups of North-East India? How does China's Belt and Road Initiative (BRI) affect Indian security? (Answer in *150* words) 5+5=10

ম্যানমাৰ কিয় উত্তৰ-পূব ভাৰতৰ বিদ্ৰোহী গোটসমূহৰ আশ্ৰয়স্থল হৈ পৰিছিল? চীনৰ Belt and Road Initiative (BRI) প্ৰকল্পই ভাৰতবৰ্ষৰ নিৰাপত্তাত কেনেধৰণে প্ৰভাৱ পেলাব পাৰে? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

4. Give an outline of the pros and cons of financial liberalization in India. (Answer in *150* words) 10

ভাৰতবৰ্ষৰ বিত্তীয় উদাৰীকৰণৰ সুফল আৰু কুফলসমূহৰ এটি ৰূপৰেখা অংকন কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

5. What does the term 'dark oxygen' mean? How is it produced? Where is it found? Why is dark oxygen important? (Answer in *150* words) 1+3+3+3=10

'ডাৰ্ক অক্সিজেন (dark oxygen)' শব্দটোৱে কি বুজায়? ই কিদৰে উৎপন্ন হয়? এয়া ক'ত পোৱা যায়? ডাৰ্ক অক্সিজেন কিয় গুৰুত্বপূৰ্ণ? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

6. What is 'Global Carbon Tax'? How will this tax be utilized? What are the problems that may arise while assessing this tax? Name the first industrial sector to come under the purview of this tax. (Answer in *150* words) 2+3+3+2=10

'গোলকীয় কাৰ্বন কৰ' কি? এই কৰ কিধৰণে ব্যৱহাৰ কৰিব পৰা যাব? এই কৰ নিৰ্ণয় কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ সমস্যাৰ উদ্ভৱ হ'ব পাৰে? এই কৰৰ আওতালৈ অহা সৰ্বপ্ৰথম ঔদ্যোগিক খণ্ডটো কি? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

7. Discuss the role of Panchayati Raj Institutions (PRIs) in effective disaster management. (Answer in *150* words) 10

ফলপ্ৰসূ দুৰ্যোগ ব্যৱস্থাপনাত পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহ (PRIs)-ৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

8. What are the objectives and components of Public Distribution System (PDS) in India? Give an account of implementation of PDS in the country. (Answer in *150* words) 2+8=10

ভাৰতবৰ্ষৰ ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS)ৰ উদ্দেশ্য আৰু উপাদানসমূহ কি কি? দেশত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ৰূপায়ণ সন্দৰ্ভত এটি টোকা লিখক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**9.** The Armed Forces (Special Powers) Act (AFSPA), 1958 is still operational in some parts of the North-Eastern Region of India. The Act is termed as 'Draconian Act' by critics including human rights activists. Share your views on the same. (Answer in *150* words) 10

সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন, ১৯৫৮খন এতিয়াও ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ কিছুমান এলেকাত প্ৰয়োগ হৈ আছে। মানৱ অধিকাৰ কৰ্মীসকলকে ধৰি সমালোচকসকলে এই আইনখনক 'অত্যন্ত কঠোৰ আইন' বুলি অভিহিত কৰিছে। এই সন্দৰ্ভত আপোনাৰ অভিমত জনাওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**10.** Cyber security threat has added a new dimension to India's security. How is India enhancing her cyber security capabilities? (Answer in *150* words) 10

ভাৰতবৰ্ষৰ নিৰাপত্তাত চাইবাৰ সুৰক্ষাৰ ভাবুকিয়ে এটা নতুন মাত্ৰা প্ৰদান কৰিছে। এই সন্দৰ্ভত ভাৰতবৰ্ষই চাইবাৰ সুৰক্ষা সামৰ্থ্য কেনেদৰে বৃদ্ধি কৰিছে? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**11.** Explain the main components of the Union Budget of India. Discuss the significance of fiscal deficit in the Indian budgetary process. (Answer in *250* words) 7+8=15

ভাৰতবৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ মূল উপাদানসমূহৰ বিষয়ে ব্যাখ্যা কৰক। ভাৰতীয় বাজেট প্ৰক্ৰিয়াত বিত্তীয় ঘাটিৰ তাৎপৰ্যৰ বিষয়ে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**12.** Briefly discuss the Sustainable Development Goals (SDGs). Analyze how far the development plans of India meet the requirements of SDGs. (Answer in *250* words) 5+10=15

বহনক্ষম উন্নয়নৰ লক্ষ্য (SDGs)-ৰ বিষয়ে চমুকৈ আলোচনা কৰক। ভাৰতবৰ্ষৰ উন্নয়নমূলক পৰিকল্পনাসমূহে SDG-ৰ প্ৰয়োজনীয়তাবোৰ কিমানদূৰ পূৰণ কৰে সেই বিষয়ে বিশ্লেষণ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**13.** What are the key objectives and salient features of the National Generic Document Registration System (NGDRS)? State the benefits offered under the Kisan Suvidha App to the farmers of India. (Answer in *250* words) 10+5=15

ৰাষ্ট্ৰীয় জেনেৰিক দস্তাবেজ পঞ্জীকৰণ প্ৰণালী (NGDRS)-ৰ মুখ্য উদ্দেশ্যবোৰ আৰু বৈশিষ্ট্যসমূহ কি কি? কৃষি সুবিধা এপ্‌টোৱে ভাৰতবৰ্ষৰ কৃষকসকললৈ কেনেধৰণৰ সুবিধা আগবঢ়াইছে, উল্লেখ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**14.** Point out the significance of Industrial Corridors in India. What needs to be done to address the challenges of Industrial Corridors effectively? (Answer in *250* words) 15

ভাৰতবৰ্ষৰ ঔদ্যোগিক পথসমূহ (Industrial Corridors)-ৰ বৈশিষ্ট্যবোৰ দেখুৱাওক। এই ঔদ্যোগিক পথসমূহে সন্মুখীন হোৱা প্ৰত্যাহ্বানবোৰ উচিতভাৱে মোকাবিলা কৰিবলৈ কি কৰাটো প্ৰয়োজন? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**15.** What are microRNAs (miRNAs)? Discuss their main mechanisms. What are their therapeutic potentials? Who won the 2024 Nobel Prize in Physiology or Medicine and for what achievement? (Answer in *250* words) 1+5+5+4=15

মাইক্ৰ'RNAs (miRNAs) কি? ইয়াৰ প্ৰধান কাৰ্যপদ্ধতিবোৰ আলোচনা কৰক। এইবোৰৰ চিকিৎসা সম্বন্ধীয় সম্ভাৱনাবোৰ কি কি? ২০২৪ চনত শৰীৰবিজ্ঞান অথবা চিকিৎসা বিজ্ঞানত কোনে নোবেল বঁটা লাভ কৰিছিল আৰু কেনে কৃতিত্বৰ বাবে? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**16.** Explain geo-synchronous and sun-synchronous orbits in space technology. Artificial satellites placed in these two orbits have different applications. Explain. (Answer in *250* words)

7+8=15

মহাকাশ প্ৰযুক্তিৰ ভূ-সমকালীন আৰু সৌৰ-সমকালীন কক্ষপথৰ বিষয়ে ব্যাখ্যা কৰক। এই দুবিধ কক্ষপথত সংস্থাপিত কৃত্ৰিম উপগ্ৰহসমূহৰ ব্যৱহাৰো ভিন্ন। এই বিষয়ে ব্যাখ্যা আগবঢ়াওক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**17.** Discuss the changes in cropping pattern in Indian agriculture since the adoption of new agricultural strategies in 1960s. Critically examine the impact of implementation of these strategies on the environment. (Answer in *250* words)

10+5=15

১৯৬০-ৰ দশকৰ পৰা ভাৰতীয় কৃষিত প্ৰৱৰ্তিত নতুন কৃষি কৌশলে শস্য উৎপাদন পদ্ধতিত কেনে পৰিৱৰ্তনৰ সূচনা কৰিছে, আলোচনা কৰক। এই কৌশলবোৰৰ ৰূপায়ণৰ ফলত পৰিবেশত কেনেধৰণৰ প্ৰভাৱ পৰিছে এই সম্পৰ্কে এটি সমালোচনা আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** What is meant by food security? What are its dimensions? Examine the role of the National Food Security Mission (NFSM) in ensuring food security in India.

(Answer in *250* words)

2+4+9=15

খাদ্য সুৰক্ষা বুলিলে কি বুজে? ইয়াৰ দিশসমূহ কি কি? ভাৰতবৰ্ষত খাদ্য সুৰক্ষা নিশ্চিতকৰণৰ বাবে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান (NFSM)-ৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** Why have certain States of North-East India successfully transitioned from extremism to stability through development interventions while others have not? Illustrate with suitable examples. (Answer in *250* words)

10+5=15

উত্তৰ-পূব ভাৰতৰ কিছুমান ৰাজ্যই উন্নয়নমূলক হস্তক্ষেপৰ জৰিয়তে উগ্ৰবাদৰ পৰা সুস্থিৰতালৈ সফলতাৰে পৰিৱৰ্তিত হোৱাৰ বিপৰীতে আন কিছুমান ৰাজ্য তেনে হ'ব পৰা নাই কিয়? উপযুক্ত উদাহৰণেৰে প্ৰতিপন্ন কৰক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**20.** (a) Examine the evolution of Assam Rifles' dual role in border management and counter-insurgency operations. What strategic and operational advantages and challenges emerge from this hybrid mandate?

(b) Analyze how the Unified Command Structure has evolved in response to changing dynamics in Assam.

(Answer in *250* words)

(5+5)+5=15

(ক) সীমান্ত ব্যৱস্থাপনা আৰু বিদ্ৰোহ-বিৰোধী অভিযানত অসম ৰাইফলছৰ দ্বৈত ভূমিকাৰ বিৱৰ্তন পৰীক্ষা কৰক। এই দ্বিজাতীয় (hybrid) আদেশৰ পৰা কি কৌশলগত আৰু কাৰ্যকৰী সুবিধা আৰু প্ৰত্যাহ্বানৰ সৃষ্টি হয়?

(খ) অসমৰ পৰিৱৰ্তিত নিৰাপত্তা গতিশীলতাৰ প্ৰতি সঁহাৰি জনাই ইউনিফাইড্ কমাণ্ড ষ্ট্ৰাকচাৰ (Unified Command Structure) কেনেদৰে বিকশিত হৈছে তাৰ এক বিশ্লেষণ আগবঢ়াওক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★